AMAZING FACTS
India

# ভাৱবাণীৰ এক সম্পূৰ্ণ দৃশ্য

## জীৱন পৰিবৰ্ত্তন কৰা এটা বাইবেল অধ্যয়ণ!

**আশ্চাৰ্য্যজনক বাক্য** **লূক ২৪:১৩-৩৫**

## কাহিনী...



**যীচুৰ** শিষ্যগণ সম্পূৰ্ণৰূপে উচ্ছন্ন হৈছিল । ঈশ্বৰৰ নতুন ৰাজ্যৰ যি আশা আৰু সপোন তেওঁলোকৰ আছিল সেই আটাইবোৰকে আগদিনা শুকুৰবাৰে ক্ৰুচত অৰা হৈছিল । দুখ আৰু বিমোৰত, ক্লিয়পা আৰু তেওঁৰ সঙ্গীজনে যিৰূচালেমৰ পৰা তেওঁবিলাকৰ ঘৰুৱা সৰু চহৰ ইমাউচলৈ সাত-মাইলৰ বাটত লাহে লাহে খোজ কাঢ়ি গৈছিল । সেই ৰবিবাৰে সন্ধিয়া সূৰ্য্য যেতিয়া অস্ত যাবলৈ ধৰিছিল আৰু তেওঁবিলিকে তেওঁবিলাকৰ খলা-বমা ৰাষ্টাত খোজকাঢ়ি গৈ আছিল, তেতিয়া এজন অচিনাকী মানুহ ওচৰ চাপি তেওঁবিলাকৰ সৈতে একেলগে যাবলৈ ধৰিছিল । তেওঁবিলাকৰ যাত্ৰাত নতুনকৈ যোগ দিয়া এই সঙ্গীজন যে স্বয়ং পুনৰুত্থিত প্ৰভু তাক তেওঁবিলাকে অলপো জনা নাছিল ।

তওেবলিাকৰ সহ-পথকিজনৰ কথাবে াৰ অলপ মন দযি়াত, মনমৰা এই শষি্য দুজনে সপ্তাহটে াত ঘটি যে াৱা ঢলং পলং কৰে াৱা ঘটনাবে াৰক পাগুলযি়াইছলি, আৰু প্ৰতটিে া খে াজ আগবাঢ়ি যে়াৱাৰ লগে লগে সহিত আৰু অধকি অধকিকৈ নৰিাশ হবলৈ ধৰছিলি । যীচুৱে কথাবে াৰ নৰিবে শুনি যাওতে, তওেৰ এই মনমৰা বমৰ্ষ শষি্যদুজনৰ আগত নজিকে প্ৰকাশ কৰি দখেুৱাবলৈ খুউব ইচ্ছা গৈছেলি । কনি্তু প্ৰভুৱে ভাৱি-চনি্তি নজিৰ প্ৰকৃত পৰচিয়টে াক লুকুৱাই লছৈলি, কাৰন এতযি়া তওেবলিাকক ধৰ্ম্ম-শাস্ত্ৰৰ কথাবে াৰ ভালদৰে বুজাতকৈ আন একে াৰে সৰ্ব্বাধকি প্ৰয়ে াজন হে াৱা নাছলি। যদি খ্ৰীষ্টই এই দুজন বশি্বাসী অনুসৰনকাৰীক নজিকে চনি পাবলৈ অনুমতি দলিহেতেনে, তওেবলিাকে ইমানহৈ উত্তজেতি হলহতেনে যে তওে সহিতক কবলগীয়া গুৰুত্বপূৰ্ণ সত্যক সহিতে শুনবি পৰা অৱস্হাত নাথাকলিহতেনে ।

এনকেি চাৰে তনি বছৰ তওেৰ শকি্ষা আৰু উপদশে শুনাৰ পাছতে া, তওেবলিাকে ততেযি়াও তওেৰ ন্যস্ত কাৰ্য্যৰ (মচিন) প্ৰকৃতকি ভালকৈ বুজি হৃদয়াঙ্গম কৰবি পৰা নাছলি । তওে তওেলে াকক অতি সৰলকৈ কছৈলি বে ালে, “মানুহৰ পুত্ৰক মানুহবলিাকৰ হাতত শে াধাই দযি়া হব, তওেবলিাকে তওেক বধ কৰবি আৰু বধ কৰাৰ তনি দনিৰ পাছত তওে পুনৰায় উঠবি । কনি্তু তওেবলিাকে সহৈ কথা নুবুজলিে আৰু তওেক শুধবিলকৈে া ভয় কৰলিে” মাৰ্ক ৯:৩১, ৩২ ।

যীচুৱে অতি বনিম্ৰতাৰে তওেবলিাকৰ দুখভৰা কথা-বতৰাত হস্তক্ষপে কৰছিলি, আৰু ইয়াৰ পাছৰ দুই ঘন্টা ধৰি ধৰ্ম্ম-শাস্ত্ৰৰ সকলে াবে াৰ বচন আৰু ভাৱবানী বুজাৰ চাবি-কাঠি তওে তওেবলিাকক দছিলি ।



পাঠ নং- ৭

# অধ্যয়ন

তলত দিয়া প্ৰতিটো বাইবেল পদ পঢ়ি খালী ঠাইবোৰ পুৰন কৰক ।

## ১. ধৰ্ম্মশাস্ত্ৰৰ কিমান খিনিক বিশ্বাস কৰিবলৈ আমালোকক আদেশ দিয়া হৈছে?

**লূক ২৪:২৫** ভাৱবাদীয়ে কোৱা [redacted] কথাত বিশ্বাস কৰিবলৈ

**২য় তীমথীয় ৩:১৬** গোটেই [redacted] ঈশ্বৰ-নিশ্বাসিত

টোকা: ঈশ্বৰৰ সম্পূৰ্ণ দৈববানীবোৰ (পবিত্ৰ সত্য বানী) পুৰনা আৰু নতুন নিয়মৰ বাইবেলত আছে । প্ৰকাশিতবাক্যৰ ভাৱবানীবোৰ বুজাৰ চাবি-কাঠিবোৰ প্ৰধানকৈ পুৰনি নিয়মৰ কাহিনীবোৰত বিচাৰি পোৱা যায় । উদাহৰন স্বৰূপে, প্ৰকাশিতবাক্যত পোৱা ৪০৪টা পদৰ, ২৭৮টা পদেই পুৰনি নিয়মত থকা কাহিনী আৰু ভাৱবানীবোৰৰ প্ৰতিধ্বনি ।

## ২. শাস্ত্ৰবাক্য আৰু ভাৱবানীয়ে কাক প্ৰকাশ কৰিছে বুলি যীচুৱে কৈছিল?

**লূক ২৪:২৭** পাছে তেও মোচিৰ পৰা আৰু সকলো ভাৱবাদীৰে পৰা আৰম্ভ কৰি গোটেই শাস্ত্ৰত [redacted] লিখা কথা তেওলোকক বুজাই দিলে ।

**যোহন ৫:৩৯** তোমালোকে ধৰ্ম্মশাস্ত্ৰৰ কথা বিচাৰা ... সেই শাস্ত্ৰই [redacted] বিষয়ে সাক্ষ্য দিয়ে ।

**প্ৰকাশিতবাক্য ১:১** [redacted] [redacted] প্ৰকাশিতবাক্য এই, যাক তেও তেওৰ দাসবিলাকক দেখুৱাবলৈ ঈশ্বৰে তেওক প্ৰদান কৰিছিল-যিবোৰ অলপতে ঘটিবই ঘটিব (কেজিভি)।

টোকা: সকলোবোৰ শাস্ত্ৰবাক্য আৰু ভাৱবানীত কেন্দ্ৰীয় ছবিখন হৈছে যীচু । এই বিমোহিত কৰা এলানি পাঠ্যক্ৰমটোৱে ভাৱবানীৰ বহুতো বিষয় সামৰি লব, কিন্তু মনত ৰাখিব যে দানিয়েল আৰু প্ৰকাশিতবাক্যৰ মুখ্য আলোকপাত হব যীচু খ্ৰীষ্ট আৰু তেওৰ ৰাজ্য ।

## ৩. যীচুৰ নিমিত্তে বাইবেলত আন এটা কি নাম ব্যৱহাৰ কৰিছে?

**যোহন ১:১** আদিতে [redacted] আছিল আৰু বাক্য ঈশ্বৰৰ সৈতে আছিল.

**যোহন ১:১৪** সেই [redacted] মাংস হল ... আৰু আমাৰ মাজত বসতি কৰিলে ।

## ৪. বাইবেলখন লিখিবলৈ ঈশ্বৰে কেনেকুৱা মানুহক ব্যৱহাৰ কৰিছিল?

**২য় পিতৰ ১:২১** ঈশ্বৰৰ [redacted] মানুহবিলাকে পবিত্ৰ আত্মাৰ দ্বাৰাই চালিত হৈ কথা পাই কলে (কেজিভি)।

## ৫. অনন্ত জীৱন আছে যীচুক জনাৰ পৰা (যোহন ১৭:৩) । তেওঁৰ শিষ্যবিলাকে যীচুক কেনেকৈ জানিছিল?

**লূক ২৪:৩৫** আৰু [redacted] [redacted] তেওঁক কেনেকৈ চিনা গল.

টোকা: বাইবেলত, পিঠা হৈছে ঈশ্বৰৰ বাক্যৰ প্ৰতীক । যীচুৱে কৈছিল, “মানুহ কেৱল পিঠাৰেই নিজীৱ, কিন্তু ঈশ্বৰৰ মুখৰ পৰা ওলোৱা প্ৰত্যেক বাক্যেৰেহে জীৱ”, এই বুলি লিখা আছে । মথি ৪:৪ । আমি যেতিয়া পঢ়ো, গ্ৰহন কৰো, আৰু শাস্ত্ৰবাক্যবোৰ পালন কৰো, আমি শক্তি, আনন্দ, শান্তি আৰু অনন্ত জীৱন বিচাৰি পাম ।

## ৬. খ্ৰীষ্টিয়ানৰ বাবে বাইবেল অধ্যয়ন কৰাতো কিমান প্ৰয়োজনীয়?

**ইয়োব ২৩:১২** তেওঁৰ মুখৰ আজ্ঞাৰ পৰা মই আতৰি যোৱা নাই তেওঁৰ মুখৰ বাক্য মোৰ আৱশ্যকীয় [redacted] [redacted] জ্ঞান কৰিলো ।

**গীতমালা ১১৯:১০৫** তোমাৰ বাক্য মোৰ ভৰিৰ নিমিত্তে [redacted] আৰু মোৰ পথৰ [redacted]

টোকা: চয়তানে বাইবেল পুথিখনক ঘৃণা কৰে আৰু ইয়াক পঢ়াৰ পৰা লোকসমূহক বিৰত কৰি ৰাখিবলৈ সি প্ৰায় যিকোনো কামকে কৰিব । সি জানে যে মানৱ জাতিটোক প্ৰবঞ্চনা কৰাৰ তাৰ যি পৰিকল্পনা তাক ইয়াৰ ভাৱবাণীবোৰে উদঙাই দিয়ে । গতিকে আপুনি আচৰিত নহব, যদি চয়তানে এই এলানি পাঠ্যক্ৰমৰ পৰা আপোনাক অন্য বিষয়ৰ ফালে আকৰ্ষিত কৰিবলৈ চেষ্টা কৰে নাইবা অন্য বিষয়বোৰেৰে আপোনাৰ মন আগতীয়াকৈ ভৰাই ৰাখিবলৈ যত্ন কৰে । ইয়াক বিচাৰিবলৈ সত্যক যিবিলাকে জানিবলৈ বিচাৰে তেওঁবিলাকৰ বাবে ঈশ্বৰে যেনেকৈ হলেও এটা পথ উলিয়াবই ।

## ৭. বাইবেল পুথিখনক বুজিবলৈ কোনে আমাক সহায় কৰে?

**যোহন ১৬:১৩** কিন্তু সেই সত্যৰ [redacted] যেতিয়া আহিব, তেতিয়া তেওঁ আটাই সত্যলৈ তোমালোকক পথ দেখুৱাই নিব ।

**যোহন ১৪:২৬** সেই সহায়কৰ্তা, অৰ্থাত [redacted] [redacted] তোমালোকক সকলো কথা শিকাই

**১ম কৰিন্হীয়া ২:১৩** সেইবোৰক, মানুহৰ জ্ঞানে শিকোৱা বাক্যেৰে আমি নকৈ,পবিত্ৰ আত্মাই [redacted] বাক্যেৰে ... কও ।

## ৮. মোৰ বাইবেল অধ্যয়নত পবিত্ৰ আত্মাই যে মোক পথ দৰ্শাই আছে তাক নিশ্চিত হবলৈ মই কি কৰিব লাগিব?

**লূক ১১:৯** আৰু মই কোমালোকক কও, [redacted] তেহে তোমালোকক দিয়া হব

**লূক ১১:১৩** এতেকে তোমালোকে দুৰ্জন হৈয়ো নিজ নিজ সন্তানবিলাকক যদি ভাল বস্তু দিব জানা, তেন্তে তাতকৈ তোমালোকৰ স্বৰ্গত থকা পিতৃয়ে, [redacted] বিলাকক পবিত্ৰ আত্মা নিদিবনে

**যোহন ৭:১৭** যদি কোনোৱে [redacted] পালন কৰিবলৈ মনস্হ কৰে, তেন্তে এই উপদেশ (ধৰ্ম্ম-তত্ব) ঈশ্বৰৰ পৰা হয় বা মই নিজৰ পৰা কও, তাক তেও জানিব ।

**টোকা:** পবিত্ৰ আত্মাৰ কাৰ্য্যৰ অংশ হৈছে ধৰ্ম্ম-শাস্ত্ৰৰ সত্যক বুজি পোৱাত আমাক সহায় কৰা । সেই কাৰনে ঈশ্বৰৰ পুথিখন মেলি লোৱাৰ আগতেই মাৰ্গ-দৰ্শন পাবলৈ সদায় পবিত্ৰ আত্মা খোজা উচিত । মোৰ বাইবেল অধ্যয়নত পবিত্ৰ আত্মাই মাৰ্গ-দৰ্শন দি আছে বুলি মই নিশ্চিত হব পাৰো যদি (১) মই তেওক মোক মাৰ্গ-দৰ্শন দিবলৈ মিনতি কৰো আৰু (২) তেও মোক দেখুওৱাৰ দৰে মই গ্ৰহন কৰিবলৈ আৰু সেই সত্যক অনুকৰন কৰিবলৈ মান্তি হও ।

## ৯. ঈশ্বৰৰ বাক্য প্ৰাৰ্থনাৰে অধ্যয়ন কৰা কাৰ্য্যই আমাক কেনেকৈ সহায় কৰে?

**গীতমালা ১১৯:১১** মই যেন তোমাৰ অহিতে [redacted], এই নিমিত্তে মই তোমাৰ বাক্য মোৰ মনত সাচিলো ।

**যিৰিমিয়া ৩৩:৩** তুমি মোৰ আগত প্ৰাৰ্থনা কৰা তাতে মই তোমাক [redacted] দিম, আৰু তুমি নজনা [redacted] অগম্য কথা তোমাক জনাম ।

**ৰোমীয়া ১৫:৪** কিয়নো আগেয়ে যি সকলো কথা লিখা হৈছিল, আমি ধৈৰ্য্যেৰে আৰু শাস্ত্ৰৰ [redacted] পাবলৈ, আমাৰ [redacted] নিমিত্তেহে সেই সকলো লিখা হৈছিল ।

**যাকোব ১:৫** কিন্তু তোমালোকৰ কাৰোবাৰ যদি [redacted] অভাৱ হয়, তেন্তে গৰিহনা নকৰাকৈ অকাতৰে সকলোকে দিওতা যি ঈশ্বৰ, তেওক তেও যাচনা কৰক.

## ১০. বাইবেল অধ্যয়নৰ বাবে শাস্ত্ৰবাক্যই কি পদ্ধতিক অনুমোদন দিয়ে?

**যিচয়া ২৮:১০** কিয়নো [redacted] উপৰি বিধি ... শাৰীৰ উপৰি [redacted] ... ইয়াত অলপ, তাত অলপ।

**১ম কৰিন্হীয়া ২:১৩** আত্মাই শিকোৱা বাক্যেৰে, আত্মিক বিষয়ত আত্মিক বাক্যৰ [redacted] কৰি কও (কেজিভি)।

**২য় পিতৰ ১:২০** শাস্ত্ৰৰ কোনো ভাৱবানী, কওতাৰ [redacted] ব্যাখ্যাৰ বিষয় নহয় ।

**টোকা:** আমি আমাৰ নিজস্ব দৃষ্টি-ভঙ্গী এফলীয়া কৰি ৰাখিবই লাগিব আৰু যিকোনো বিষয়ৰ ওপৰত থকা শাস্ত্ৰবাক্যৰ সকলোবোৰ পদ পঢ়াৰ দ্বাৰাই বাইবেল অধ্যয়ন কৰিব লাগিব (ইয়াত অলপ, তাত অলপ) আৰু তাত পোৱা পদবোৰ ইটোৰ লগত সিটো তুলনা কৰিব লাগিব । বাইবেলে নিজে নিজকে কবলৈ আমি এৰি দিয়া উচিত । এনেকুৱা কৰিলে, সদায় স্পষ্টৰূপত সত্য ওলাই আহে । এনেকুৱা কৰিয়েই যীচুৱে ইমাউচলৈ গৈ থকা সেই শিষ্য দুজনক, তেওঁ যে বাস্তৱিকতে মচিহজনা হয় এই কথাটোত পতিয়ন নিয়াব পাৰিছিল (লূক ২৪:২৭)।

## ১১. শাস্ত্ৰবাক্য অধ্যয়ণৰ পৰা আমাৰ লাভ কি হব?

**২য় তীমথিয় ৩:১৫** আৰু যি পবিত্ৰ শাস্ত্ৰে খ্ৰীষ্ট যীচুৰ সম্বন্ধীয় বিশ্বাসৰ দ্বাৰাই [redacted] অৰ্থে তোমাক [redacted] কৰিব পাৰে, তাকো তুমি শিশু-কালৰে পৰা জানি আছা ।

**টোকা:** শাস্ত্ৰবাক্যই আমাক ঈশ্বৰৰ মহান পৰিত্ৰাণৰ আচনিটোক বুজাত সহায় কৰে-যিটো হৈছে মৰণশীল মানৱক দিয়া আটাইতকৈ অধিক গুৰুত্বপূৰ্ণ খবৰ ।

## ১২. যীচুৰ মতে, সত্যতাক আমি কত বিচাৰি পাও?

**যোহন ১৪:৬** যীচুৱে তেওঁক কলে, "ময়েই বাট, আৰু সত্য আৰু [redacted]"

**যোহন ১৭:১৭** তোমাৰ [redacted] সত্য ।

**টোকা:** আমি সত্যতা বিচাৰি পাও ঈশ্বৰৰ বাক্যত অৰ্থাত বাইবেলত । আজিৰ পৃথিবীখনত সত্য হৈছে এটা দুৰ্লভ দ্ৰব্য, আৰু ইয়াৰ ফলস্বৰূপে পৃথিবীৰ সকলো মানুহেই জীয়াতু ভুগিবলগীয়া হৈছে । সকলো বিষয়ৰে সত্যটোক জনাটো সচাকৈয়ে যে দৰকাৰী তাক শাস্ত্ৰত বিচাৰি পোৱা যায় । ইয়াৰ পৰামৰ্শবোৰক অধ্যয়ন আৰু পালন কৰি লোকসমূহ স্বাধীন হব পাৰে (যোহন ৮:৩২) আৰু তেওঁবিলাকলৈ আনন্দ আৰু উপচি পৰা জীৱন আনি দিয়ে (যোহন ১৫:১১)।

## ১৩. বাইবেল অধ্যয়ন কৰাৰ সংক্ৰান্তত শাস্ত্ৰবাক্যত কি সতৰ্ক প্ৰদান কৰা হৈছে?

**২য় তীমথিয় ২:১৫** তুমি নিজকে পৰীক্ষাসিদ্ধ লোক, লাজৰ বিষয় নোহোৱা কৰ্ম্মকাৰী, আৰু সত্য বাক্য ঠিকৰূপে [redacted] কৰাত নিপুন.

**২য় পিতৰ ৩:১৬** সেইবোৰত কোনো কোনো বুজিবলৈ টান কথা আছে; অজ্ঞান আৰু চঞ্চল মানুহবিলাকে নিজৰেই [redacted] অৰ্থে, যেনেকৈ শাস্ত্ৰৰ আনবোৰৰ, তেনেকৈ সেইবোৰৰো [redacted] কৰে ।

**টোকা:** সত্য বাক্য ঠিকৰূপে বিভাগ কৰাৰ অৰ্থ হৈছে, ইয়াক শুদ্ধকৈ আৰু সত্যতাৰে অনুবাদ বা ব্যাখ্যা কৰা । আমি ইয়াক কি কোৱাটোক বিচাৰো সেইদৰে ইয়াক কবলৈ শাস্ত্ৰবাক্যক অৰ্থান্তৰ কৰাতো মস্ত ডাঙৰ বিপদ । বাইবেলৰ বিষয়ে মই কি কও সেইটো এটা সৰু বিষয়। শাস্ত্ৰবাক্যই নিজৰ বিষয়ে কি কয় সেইটোহে তাতপৰ্য্যপূৰ্ণ ।

## ১৪. আটাইবিলাক ধৰ্ম্মীয় শিক্ষা আৰু ধৰ্ম্ম-তত্ববোৰক আমি কেনেকৈ পৰীক্ষা কৰা উচিত?

**পাচনিকৰ্ম ১৭:১১** কিয়নো এওবিলাকে সম্পূৰ্ণ আগ্ৰহেৰে বাক্য গ্ৰহন কৰি, এয়ে হয় নে নহয়, তাকে জানিবলৈ নিতৌ নিতৌ শাস্ত্ৰ [redacted] কৰিলে ।

**যিচয়া ৮:২০** [redacted] (বিধান) আৰু [redacted] সোধা; এই বাক্য অনুসাৰে যদি তেওবিলাকে নকয়, তেন্তে তেওবিলাকত [redacted] নাই (কেজিভি)।

**টোকা:** সকলোবোৰ ধৰ্ম্মীয় শিক্ষাক বাইবেলৰ দ্বাৰাই পৰীক্ষা কৰি চোৱা উচিত । যদি কোনোবা এটা শিক্ষা বা উপদেশ শাস্ত্ৰবাক্যৰ সৈতে স্পষ্টৰূপে একমত নহয়, ই অসত্য আৰু ইয়াক পৰিত্যাগ কৰা উচিত ।

## ১৫. ইমাউচলৈ যোৱা ৰাষ্টাত যীচুৱে তেওৰ হতাশাত ভাগি পৰা শিষ্য দুজনৰ আগত যেতিয়া শাস্ত্ৰবাক্য বিবৰি কৈছিল তেতিয়া কি ঘটিছিল?

**লূক ২৪:৩২** বাটত আহোতে ,তেও যেতিয়া আমাৰে সৈতে কথোপকথন কৰিলে, আৰু শাস্ত্ৰৰ অৰ্থ বুজাই দিলে, তেতিয়া আমাৰ অন্তৰত হৃদয় [redacted] নহৈছিল নে ?

## ১৬. এই দুজন শিষ্যই যীচু খ্ৰীষ্ট জীয়াই থকাৰ কথাটোক জানি আৰু তেওৰ মুখৰ পৰা ভাৱবানীৰ ব্যাখ্যা শুনাৰ পাছত, তেওবিলাকে কি কৰিছিল?

**লূক ২৪:৩৩** তেওলোক দুজন উঠি, যিৰূচালেমলৈ [redacted] আহিল; তাতে একে ঠাইতে গোট খোৱা এঘাৰ জন আৰু লগত থকাবিলাকক দেখা পালতেই, তেওবলাকক কলে।

**টোকা:** যীচুৱে কৰা শাস্ত্ৰবাক্যৰ ব্যাখ্যা শুনাৰ পাছত এই শিষ্য দুজনৰ প্ৰথম প্ৰতিক্ৰিয়াৰ এটা আছিল এই শুভবাৰ্ত্তাটোক আনক কবলৈ উপজা এটা প্ৰজ্বলিত আকাংক্ষ্যা । আমি আশা কৰিছো এইটো আপোনাৰো পৰম আকাংক্ষ্যা যে এই শক্তিশালী এলানি বাইবেল পাঠ্যক্ৰম অধ্যয়নত আপুনি আপোনাৰ বন্ধু বান্ধবী বিলাককো নিমন্ত্ৰন কৰিব ।

# আপোনাৰ সহাৰি

শাস্ত্ৰবাক্য সম্পূৰ্ণকৈ বুজিবলৈ আৰু সেইদৰে এইবোৰ পালন কৰি চলিবলৈ আপুনি ইচ্ছা কৰে নে?

**উত্তৰ:** [redacted]

# সংযোজন

বাইবেল ভাৱবানীত সঘনাই পোৱা প্ৰতীকি অৰ্থৰ কেইটামান প্ৰধান প্ৰতিশব্দ তলত দিয়া হল ।

**স্বৰ্গদূত = বাৰ্ত্তাবাহক**
দানিয়েল ৮:১৬; ৯:২১; লূক ১:১৯, ২৬; ইব্ৰী ১:১৪

**বাবিল = ধৰ্ম্ম–ভ্ৰষ্টতা / খেলিমেলি**
আদিপুস্তক ১০:৮–১০; ১১:৬–৯; প্ৰকাশিতবাক্য ১৮:২, ৩; ১৭:১–৫

**পশু = ৰাজ্য / চৰকাৰ / ৰাজনৈতিক ক্ষমতা**
দানিয়েল ৭:১৭, ২৩

**পিঠা = ঈশ্বৰৰ বাক্য**
যোহন ৬:৩৫, ৫১, ৬৩

**দিন = আক্ষৰিক বছৰ**
যিহিস্কেল ৪:৬; গণনাপুস্তক ১৪:৩৪

**নাগ = চয়তান বা তাৰ প্ৰতিনিধি সকল**
যিচয়া ২৭:১; ৩০:৬; গীতমালা ৭৪:১৩, ১৪; প্ৰকাশিতবাক্য ১২:৭–৯; যিহিস্কেল ২৯:৩; যিৰিমিয়া ৫১:৩৪

**কপাল = মন**
ৰোমীয়া ৭:২৫; যিহিস্কেল ৩:৮, ৯

**হাত = কাম বা কাৰ্য্য**
উপদেশক ৯:১০

**বেশ্যা = ভ্ৰষ্ট মন্ডলি / ধৰ্ম্ম**
যিচয়া ১:২১–২৭; যিৰিমিয়া ৩:১–৩, ৬–৯

**অনেক মূৰ = প্ৰধান ক্ষমতাবোৰ / শাসকসকল / চৰকাৰবোৰ**
প্ৰকাশিতবাক্য ১৭:৩, ৯, ১০

**শিং = ৰজা বা ৰাজ্য**
দানিয়েল ৭:২৪; ৮:৫, ২১, ২২; জখৰীয়া ১:১৮, ১৯; প্ৰকাশিতবাক্য ১৭:১২

**মেৰ পোৱালি = যীচু / বলি**
যোহন ১:২৯; ১ম কৰিন্থীয়া ৫:৭

**চাকিবা প্ৰদীপ = ঈশ্বৰৰ বাক্য**
গীতমালা ১১৯:১০৫

**সিংহ = যীচু খ্ৰীষ্ট**
প্ৰকাশিতবাক্য ৫:৪–৯

**চিন = অনুমোদন বা অনুমোদন নোহোৱাৰ স্বাক্ষৰ বা চিল মোহৰ**
যিহিস্কেল ৯:৪; ৰোমীয়া ৪:১১; প্ৰকাশিতবাক্য ১৩:১৭; ১৪:৯–১১; ৭:২, ৩

**পৰ্ব্বতবোৰ = ৰাজনৈতিক বা ধৰ্ম্মীয**
ৰাজনৈতিক ক্ষমতা-যিচয়া ২:২, ৩; যিৰিমিয়া ১৭:৩; ৩১:২৩; ৫১:২৪, ২৫; যিহিস্কেল ১৭:২২, ২৩ দানিয়েল ২:৩৫, ৪৪, ৪৫

**তেল = পবিত্ৰ আত্মা**
জখৰীয়া ৪:২-৬ প্ৰকাশিতবাক্য ৪:৫

**ৰঙা = পাপ দুৰ্নীতি / কুলুষিত**
যিচয়া ১:১৮; নহুম ২:৩; প্ৰকাশিতবাক্য ১৭:১-৪

**শিল = যীচু / সত্য**
১ম কৰিন্হীয়া ১০:৪; যিচয়া ৮:১৩, ১৪; ৰোমীয়া ৯:৩৩; মথি ৭:২৪

**মোহৰ / ছীল = অনুমোদন বা অনুমোদন নোহোৱাৰ স্বাক্ষৰ বা চিন**
ৰোমীয়া ৪:১১; প্ৰকাশিতবাক্য ৭:২, ৩

**সৰ্প = চয়তান**
প্ৰকাশিতবাক্য ১২:৯; ২০:২

**তৰাবোৰ = স্বৰ্গদূতসকল / বাৰ্তাবাহকবিলাক**
প্ৰকাশিতবাক্য ১:১৬, ২০; ১২:৪, ৭-৯; ইয়োব ৩৮:৭

**সূৰ্য্য = যীচু / শুভবাৰ্ত্ত**
গীতমালা ৮৪:১১; মলাখী ৪:২; মথি ১৭:২; যোহন ৮:১২; ৯:৫

**তৰোৱাল = ঈশ্বৰৰ বাক্য**
ইফিচীয়া ৬:১৭; ইব্ৰী ৪:১২

**চোৰ = অকস্মাত যীচুৰ আগমন**
১ম থিচলনীকীয়া ৫:২-৪; ২য় পিতৰ ৩:১০

**সময় = আক্ষৰিক বছৰ**
দানিয়েল ৪:১৬, ২৩, ২৫, ৩২; ৭২:৫; দানিয়েল ১১:১৩

**পানী = বসতি অঞ্চল / লোকসমূহ, জাতিবিলাক**
প্ৰকাশিতবাক্য ১৭:১৫

**বগা বস্ত্ৰ = বিজয় / ধাৰ্ম্মিকতা**
প্ৰকাশিতবাক্য ১৯:৮; ৩:৫; ৭:১৪

**বায়ু = যুদ্ধ বিগ্ৰহ / হুলস্হুল / “যুদ্ধৰ বাতৰি”**
যিৰিমিয়া ২৫:৩১-৩৩; ৪৯:৩৬, ৩৭; ৪:১১-১৩; জখৰীয়া ৭:১৪

**সতী তিৰোতা = প্ৰকৃত মন্ডলি**
যিৰিমিয়া ৬:২; ২য় কৰিন্হীয়া ১১:২; ইফিচীয়া ৫:২৩-২৭

**অসতী তিৰোতা = ভ্ৰষ্ট মন্ডলি**
যিহিস্কেল ১৬:১৫-৫৮; ২৩:২-২১; হোচেয়া ২:৫; ৩:১; প্ৰকাশিতবাক্য ১৪:৪

Panorama of Prophecy, Lesson 7
©2023 Amazing Facts India
All Rights Reserved Printed in India
+91 916 916 4480 | AFTV.in
For more uplifting, life changing resources visit **Bookstore.AFTV.in**

ভাৰবাণীৰ এক সম্পূৰ্ণ দৃশ্য
ASSAMESE